**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-03-2024
**Time :** 05-15 Hrs

***<u>Assamese Evening Bulletin</u>***

::::::::::::::::::::::::::::::::::::::::

ৰাজ্যৰ সৰ্বাংগীণ উন্নয়ন আৰু বিকাশৰ উদ্দেশ্যেৰে হাতত লোৱা অভিলাষী কাৰ্যসূচী অসম বিকাশ যাত্ৰাৰ অধীনত আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী, বিধায়ক আৰু সাংসদে শোণিতপুৰ, মাজুলী, তিনিচুকীয়া, বাক্সা আৰু ওদালগুৰি জিলাত কেইবা কোটি টকা ব্যয় সাপেক্ষ বহুকেইটা প্ৰকল্পৰ উদ্বোধন, আধাৰশিলা স্থাপন আৰু ভূমিপূজন কৰে। এই উপলক্ষে মুখ্যমন্ত্ৰী ডঃ শৰ্মাই শোণিতপুৰৰ ঘোঁৰামাৰীত থকা হেমবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত এখন জনসভাত অংশ লয়। অনুষ্ঠানটোত মুঠ এহেজাৰ ৩৪০ কোটি টকা ব্যয়সাপেক্ষ ৫৬টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে ৩০ কোটি টকা ব্যয়সাপেক্ষ ঢেকীয়াজুলি সমষ্টিৰ চিতলমাৰীত অৱস্থিত প্ৰথমখন চৰকাৰী আদৰ্শ আৱাসিক বিদ্যালয়ৰ প্ৰশাসনিক ভৱন, অতিথি গৃহ, ছাত্ৰাবাস, শিক্ষক তথা অধ্যক্ষৰ বাবে আবাস আৰু খেলপথাৰৰ উদ্বোধন কৰা হয়। এই অনুষ্ঠানত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী অশোক সিংহল, তেজপুৰৰ সাংসদ পল্লৱলোচন দাস, বিধায়ক পৃথ্বীৰাজ ৰাভা, গণেশ কুমাৰ লিম্বু, কৃষ্ণকমল তাঁতী আৰু পদ্ম হাজৰিকাও উপস্থিত থাকে।

মুখ্যমন্ত্ৰীগৰাকীয়ে বাক্সাৰ অদালবাৰী খেলপথাৰত অনুষ্ঠিত এখন জনসভাত অংশ লৈ মুঠ ৩০৮ কোটি টকা ব্যয় সাপেক্ষ বিভিন্ন উন্নয়নমূলক প্ৰকল্প মুকলি কৰাৰ লগতে আধাৰশিলা স্থাপন কৰে।

আনফালে, বিকাশ যাত্ৰাৰ অংশ হিচাপে আজি ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহনে মাজুলীত ২২৩ কোটি টকা ব্যয়সাপেক্ষ ৩০টাতকৈও অধিক প্ৰকল্পৰ উদ্বোধন, আধাৰশিলা স্থাপন আৰু ভূমি পূজন কৰে। এই অনুষ্ঠানত মন্ত্ৰী শ্ৰীমহনে মাজুলী-যোৰহাটৰ মাজত বিশ্ব বেংকৰ আৰ্থিক সাহায্যৰে সূচনা কৰা নৈশ ফেৰী সেৱাৰো শুভাৰম্ভ কৰে।

একেদৰে, তিনিচুকীয়া জিলাতো কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী ৰামেশ্বৰ তেলী আৰু ৰাজ্যৰ শ্ৰম তথা চাহ জনজাতি কল্যাণ মন্ত্ৰী সঞ্জয় কিষাণে মুঠ ২৫৯ কোটি টকা ব্যয়সাপেক্ষ বিভিন্ন প্ৰকল্প মুকলি আৰু আধাৰশিলা স্থাপন কৰে। কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী শ্ৰীতেলীয়ে অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ডিব্ৰুগড় সংমণ্ডলৰ অধীনৰ টিংৰাই ডোম গাঁৱত ২০২৩-২৪ বৰ্ষৰ কাৰণে নিৰ্ধাৰিত প্ৰায় ৭৮ লাখ টকা ব্যয়সাপেক্ষ নিৰ্মিত জলজীৱন মিছনৰ পানীযোগান আঁচনি এখন মুকলি কৰে।

০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ আসন্ন বটদ্ৰৱা ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থানখনত উপস্থিত হৈ বহু প্ৰত্যাশিত বটদ্ৰৱা প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ কাম পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে, অহা ১৪ মাৰ্চত কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীশ্বাহে প্ৰায় ১৮৮ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মীয়মান বটদ্ৰৱা প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ কাম মুকলি কৰাৰ লগতে দ্বিতীয় পৰ্যায়ৰ কামৰ শুভাৰম্ভণি কৰিব। ২০২১ চনৰ ২৫ ফেব্ৰুৱাৰীত গৃহমন্ত্ৰীগৰাকীয়ে আনুষ্ঠানিকভাৱে এই প্ৰকল্পৰ নিৰ্মাণ কাৰ্যৰ

শুভাৰম্ভ কৰিছিল। অভিলাষী এই প্ৰকল্পত বিশ্বৰ সৰ্বোচ্চ গুৰুআসন, সত্ৰীয়া সংস্কৃতিক প্ৰতিফলিত হোৱা বিভিন্ন কাৰুকাৰ্য খটোৱা অতিথি গৃহ, সংগ্ৰহালয়, পুথিভঁৰাল, সংস্কৃতি চৰ্চা কেন্দ্ৰ, উদ্যান আদি নিৰ্মাণ কৰা হৈছে।

গৃহমন্ত্ৰীগৰাকীৰ আগমনৰ পূৰ্বেই প্ৰকল্পটোৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতি আৰু বিভিন্ন কাম-কাজৰ খতিয়ান লোৱাৰ উদ্দেশ্যেৰে প্ৰকল্পস্থলী পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে, অসমৰ চহকী ঐতিহ্য আৰু সভ্যতাৰে সংপৃক্ত গৌৰৱ চিহ্নসমূহ পুনৰুদ্ধাৰৰ কাৰণে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে বিভিন্ন প্ৰচেষ্টা হাতত লৈছে। বটদ্ৰৱা প্ৰকল্পই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থানখনৰ গৰিমা বিশ্ববাসীৰ আগত দাঙি ধৰিব।

০০০

জলসম্পদ মন্ত্ৰী পিযুছ হাজৰিকাই আজি জাগীৰোডত উপস্থিত  হৈ ২৭ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ উত্তৰ পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ ব্যক্তিগত বিনিয়োগ প্ৰকল্প টাটা চেমিকনডাক্টৰ প্ৰকল্পৰ আসন্ন আধাৰশিলা স্থাপন কাৰ্যসূচীৰ প্ৰস্তুতিৰ বুজ লয়। উল্লেখযোগ্য যে অহা ১৩ মাৰ্চত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে এই প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব।

০০০

আইন শিক্ষাৰ ক্ষেত্ৰত পশ্চিম অসমৰ অগ্ৰণী শিক্ষানুষ্ঠান বৰপেটা আইন মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উপলক্ষে আজি এটা বাৰেৰহণীয়া শোভাযাত্ৰা উলিওৱা হয়। মহাবিদ্যালয় চৌহদৰ পৰা আৰম্ভ হোৱা শোভাযাত্ৰাটো জিলা আয়ুক্ত তেজপ্ৰসাদ ভূষালে উদ্বোধন কৰে। উদ্বোধনী ভাষণত শ্ৰীভূষালে বিগত ৫০ বছৰত মহাবিদ্যালয়খনে অসমৰ ন্যায়িক ব্যৱস্থাটোলৈ আগবঢ়োৱা সেৱাৰ বিষয়ে উল্লেখ কৰে। উল্লেখযোগ্য যে শোভাযাত্ৰাটোত অসমৰ বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতিৰ লগতে আইন ব্যৱস্থাৰ বিভিন্ন দিশ উপস্থাপন কৰা হয়।

০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰচাৰ হ'বলগীয়া **চলন্তিকা** অনুষ্ঠানত কোৰিয়ান সংগীত শিল্পী অ'ৰাৰ সৈতে হোৱা এটা কথোপকথন প্ৰচাৰ কৰা হ'ব। তেখেতৰ সৈতে কথা পাতিব মানস প্ৰতীম শৰ্মাই।

০০০

কামৰূপ জিলাৰ হাজোৰ নিকটৱৰ্তী বৰ্ণিত সংঘটিত এটা পথ দুৰ্ঘটনাত এজন লোকৰ থিতাতে মৃত্যু হোৱাৰ বিপৰীতে অন্য ২০ জন লোক গুৰুতৰভাৱে আহত হয়। আহতসকলৰ ভিতৰত ১০ জনক সংকটজনক অৱস্থাত নলবাৰী আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰা হয়।

০০০

সমাপ্ত